# দহগব্য (সংস্কৃত দশগব্য)

গছৰ বাবে বৃদ্ধিকাৰক/স্বাস্থ্যবৰ্ধক আৰু বেমাৰ, পোকৰ পৰা ৰক্ষাকাৰক।

## দহগব্য বনোৱাৰ বিধি

### তলত দিয়া ধৰনে প্ৰথমে 'পঞ্চগব্য' তৈয়াৰ কৰি লওক।



এটা চফা প্লাষ্টিকৰ ড্ৰাম বা তেনেকুৱা পাত্ৰত ৭কেজি কেঁচা গোবৰ আৰু ১কেজি ঘি ভালদৰে মিহলাই লওক। ২ দিনৰ পিচত ১০ লিটাৰ পানী আৰু ১০ লিটাৰ গোমুত্ৰ মিহলাই লওক। এতিয়া এই মিশ্ৰণটো ১৫দিনৰ বাবে থৈদিয়ক।

১৫, দিনৰ পিচত ৩ লিটাৰ গৰুৰ গাখীৰ, ২লিটাৰ দৈ ৩ লিটাৰ নাৰিকলৰ পানী, ৩ কেজি গুড় আৰু ১ ডজন ভাল পকা কল মিশ্ৰণটোৰ লগত ভালদৰেমিহলাই লওক। সদায় ৰাতিপুৱা আৰু গধুলি মিশ্ৰণটো লৰাব লাগে। এনে কৰি মিশ্ৰণটোত অক্সিজেনৰ পৰিমান সংগ্ৰহ কৰা হয় আৰু মিশ্ৰনটোত উপকাৰী জীবানু, ভেঁকুৰ আদিৰ সংখ্যা বৃদ্ধি পায়।

## এতিয়া দহগব্য তৈয়াৰ কৰক

ফলিয়াৰ স্প্ৰে বনাবৰ বাবে গোফুল (*lantana camara*), মধুফুল (*leucas aspera*), ধতুৰা (*datura*), and গন্ধভাদালি (*artemisia*), আদি বন সংগ্ৰহ কৰি গৰুৰ মুতৰ লগত ১:১ অনুপাতত মিহলাই লওক (১কেজি সৰুকৈ কাটিলোৱা পাতৰ লগত ১ কেজি গোমুত্ৰৰ)। এই বনবিলাক প্ৰায়েই ৰাস্তাৰ কাষত দেখিবলৈ পোৱা যায়। সম্ভৱ এই বনবিলাকত কিবা খোৱাৰ অনুপযোগী বস্ত থকাৰ বাবে পোকে আক্ৰমণ নকৰে।

পাতৰ ৰসখিনি চেকি লৈ পঞ্চগব্যৰ লগত ১:৫ অনুপাতত মিহলাই লওক। ২০ দিনলৈকে এই মিশ্ৰণটো সদায় ৰাতিপুৱা গধুলি লৰাব লাগে যাতে পঞ্চগব্য আৰু পাতৰ আৰক ভালদৰে মিলি যায়।

## এই ফৰমুলা কেনেকৈ ব্যবহাৰ কৰিব

দহগব্য দ্ৰৱ স্প্ৰে কৰাৰ আগত ভালদৰে চাকি লব লাগে যাতে স্প্ৰেয়াৰৰ নজেলটো বন্ধ হৈ নেযায়। শতকৰা তিনিভাগ দহগব্য গছত ছতিয়াবৰ বাবে ব্যবহাৰ কৰিব পাৰে। শতকৰা তিনিভাগ দহগব্য চলিউচনত ৩০ মিনিট সময়ৰ বাবে বীজ বা ৰুবলৈ লোৱা পুলিৰ শিপা তিয়াই থলে গঁজালি মেলাৰ ক্ষমতা বৃদ্ধি পোৱাৰ লগতে শিপাৰ গঠন উন্নত মানৰ হয়।

শাকনি বাৰী বা পথাৰত প্ৰতি সপ্তাহত এবাৰকৈ দহগব্য স্প্ৰে কৰিব লাগে। এনেকৈ স্প্ৰে কৰিলে লিফ স্পট, ব্লাইট, পাউডাৰি মাইলডিউ, পাচলিৰ ৰাস্ট, চাহগছৰ ব্লিস্টাৰ আদি বেমাৰ নিয়ন্ত্ৰনত থাকে।

মোৱাপোক, থ্ৰিপচ্, বগামাখি, উই আৰু ফলিয়াৰ কেটাৰপিলাৰ আদি পোক দহগব্যৰ দ্বাৰা নিয়ন্ত্ৰণ কৰিব পৰা যায়। যি গছত দহগব্য স্প্ৰে কৰা হয় সেই গছৰ পাত আকাৰত ডাঙৰ হয় আৰু শিপা খুব সোনকালে বৃদ্ধি হয়। শিপাহ বৃদ্ধি হলে, শিপায় গছৰ বাবে দৰকাৰী পানী, খনিজ আদি পৰ্য্যাপ্ত পৰিমানে গ্ৰহণ কৰিব পাৰে। দেখা গৈছে যে দহগব্য স্প্ৰে কৰা গছৰ ফল খাবলৈ সোৱাদ।

বনোৱাৰ খৰচ -

তামিলনাডুত প্ৰতি লিটাৰ দহগব্য বনোৱাৰ খৰচ ৪০ টকা। ৰাসায়নিক কীটনাশকৰ দামৰ লগত তুলনা কৰিলে দহগব্যৰ দাম তুলনামুলক ভাবে কম। তামিলনাডুত এই ফৰমুলা প্ৰতি লিটাৰ ৯০টকা দৰত বিক্ৰী কৰা হয়। সৰু খেতিয়ক আৰু আত্মসহায় গোট আদিয়ে ব্যবসায় হিচাবে দহগব্য বনাই বিক্ৰী কৰিব পাৰে।





এই পুস্তিকা খনৰ অনুবাদ, সম্পাদনা আৰু প্ৰকাশন

ফাৰটাইল গ্ৰাউণ্ড:
ইষ্ট/উৱেষ্ট চাচটেইনেবিলিটি নেটওৱৰ্ক,
ভেনকভাৰ আইলেণ্ড, বিট্ৰিচ কলম্বিয়া, কানাডা
fertile_ground2003@yahoo.com

আৰু

আদৰ্শ সেউজ প্ৰকল্প
মুলিয়াবাৰী, ডিগবৈ
03751 269880
fertilegroundpompy@yahoo.co.in

ৰ এক যুটীয়া প্ৰকল্পৰ অধীনত সম্পন্ন হৈছে

তলত উল্লেখিত অনুস্থান সমূহৰ সহায়ৰ বাবে ফাৰটাইল গ্ৰাউণ্ড আৰু আদৰ্শ সেউজ প্ৰকল্পৰ তৰফৰ পৰা ধন্যবাদ জনোৱা হ'ল
কানাডা ইণ্ডিয়া ভিলেজ এইড, ভেনকভাৰ, বি.চি. কানাডা
ওৱৰ্ল্ড কমিউনিটি ডেভেলপমেণ্ট এডুকেশ্যন চচাইটি, কৰ্টনি, বি.চি. কানাডা
"শব্দলিপি" চফটৱেৰৰ বাবে টি. আই. ট্ৰেড, গোপিনাথ বৰদলৈ পথ, গুৱাহাটী, অসম
অধিক জানিবৰ বাবে আমাৰ ৱেবচাইট চাওক: www.fertile-ground.org